Total number of printed pages–7

**63/2 (SEM–1) ASMADL14044/ASM104**

**2025**

# ASSAMESE

(Core)

Paper : ASMADL14044

***(Research Methodology in Humanities)***

*Full Marks : 70*

*Pass Marks : 28*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১×৬=৬

(ক) 'গৱেষণা-পদ্ধতি-পৰিচয়' গ্ৰন্থখনৰ লেখক কোন?

*(i)* নগেন শইকীয়া

*(ii)* দিলীপ বৰা

*(iii)* মহেন্দ্ৰ বৰা

*(iv)* মহেশ্বৰ নেওগ

(খ) তলৰ কোনখন গ্ৰন্থ Tyrus Hillway-ৰ দ্বাৰা ৰচিত?

*(i)* *Research Methodology*

*(ii)* *Methods of Research*

*(iii)* *Introduction to Research*

*(iv)* *Research : An Introduction*

(গ) গ্ৰন্থপঞ্জী সদায় কি হোৱা উচিত?

*(i)* বৰ্ণানুক্ৰমিক

*(ii)* কালক্ৰমিক

*(iii)* সংস্কৰণক্ৰমিক

*(iv)* প্ৰকাশকক্ৰমিক

(ঘ) গৱেষণাৰ ক্ষেত্ৰত পুথিভঁৰাল হ'ল—

*(i)* তথ্য সংগ্ৰহৰ উৎস

*(ii)* গ্ৰন্থপঞ্জী লেখনৰ উৎস

*(iii)* পাদটীকা সংগ্ৰহৰ উৎস

*(iv)* সমল ব্যক্তি সংগ্ৰহৰ উৎস

(ঙ) গৱেষণাৰ ক্ষেত্ৰত Terminology শব্দৰ অৰ্থ হ'ল—

*(i)* প্ৰকাশভংগী

*(ii)* লেখনৰীতি

*(iii)* পৰিশিষ্ট

*(iv)* পৰিভাষা



(চ) কোনগৰাকী গৱেষকে বড়ো ভাষাক বিদ্যায়তনিকভাৱে প্ৰতিষ্ঠা কৰিছে?

*(i)* গোলোকচন্দ্ৰ গোস্বামী

*(ii)* প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য

*(iii)* সত্যেন্দ্ৰনাথ শৰ্মা

*(iv)* মংগল সিং হাজোৱাৰী

২। তলৰ *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ লিখা : ৬×৬=৩৬

(ক) গৱেষণাৰ ৰাষ্ট্ৰীয় প্ৰয়োজন বুলিলে কি বুজা লিখা।

(খ) 'আনুষ্ঠানিক ডিগ্ৰী আৰু গৱেষণা' সম্পৰ্কত এটা টোকা প্ৰস্তুত কৰা।

(গ) গ্ৰন্থপঞ্জী লেখনৰ *যিকোনো চাৰিটা* নিয়ম উল্লেখ কৰা।

(ঘ) গৱেষণা প্ৰস্তুতি সম্পৰ্কে তোমাৰ ধাৰণা ব্যক্ত কৰিব পৰাকৈ এটা প্ৰবন্ধ যুগুত কৰা।

(ঙ) মানৱ-বিদ্যাত গৱেষণাৰ প্ৰয়োজনীয়তা কি বুজাই লিখা।

(চ) গৱেষক হিচাপে এজন ছাত্ৰৰ ব্যৱহাৰ কেনে হোৱা উচিত বুলি তুমি ভাবা, বুজাই লিখা।

(ছ) গৱেষণাৰ বিষয় নিৰ্ধাৰণত কোনবোৰ দিশত গুৰুত্ব দিব লাগে, বুজাই লিখা।

(জ) গৱেষণাৰ ভাষা কেনে হ'ব লাগে? বুজাই লিখা।

(ঝ) গৱেষণাৰ সংজ্ঞা আৰু স্বৰূপ সম্পৰ্কে চমুকৈ বুজাই লিখা।

*তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা।*

৩। গৱেষণা পত্ৰ (Research Paper) মানে কি? গৱেষণা পত্ৰ লেখনৰ স্তৰসমূহ কি কি বুজাই লিখা। লগতে এটা অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ পৰা এটা বিষয় লৈ এখন গৱেষণা পত্ৰৰ আৰ্হি প্ৰস্তুত কৰি দেখুওৱা। ৪+৪+৬=১৪

৪। গৱেষণাৰ বিভিন্ন পদ্ধতি সম্পৰ্কে খৰচি মাৰি লিখা। ১৪

৫। বৰ্তমান সময়ত বিদ্যায়তনিক গৱেষণাৰ প্ৰসংগ আৰু মানদণ্ড সম্পৰ্কে বিশদভাবে তোমাৰ ধাৰণা ব্যক্ত কৰা। ১৪

৬। কোনবোৰ কাৰণত গৱেষণাক বিশদভাৱে প্ৰয়োজনীয় বুলি গণ্য কৰা হয়? স্কুল-কলেজ স্থাপনৰ পূৰ্বে বহু হাজাৰ বছৰ আগতেও ভাৰতবৰ্ষত গৱেষণাৰ কিবা প্ৰমাণ পোৱা যায়নে, খৰচি মাৰি লিখা। ৮+৬=১৪

---



Paper : ASM104

***[History of Literary Criticism (East and West)]***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

'ক' অংশ

১। চমু টোকা লিখা : *(যিকোনো তিনিটা)* ৫×৩=১৫

(ক) বিভাৱ

(খ) উপাদান লক্ষণা

(গ) হৃদয় সংবাদ

(ঘ) কাব্য দোষ

২। ভামহৰ দৃষ্টিত বক্ৰোক্তি মানে কি? বক্ৰোক্তিৰ প্ৰকাৰবোৰ উল্লেখ কৰি উদাহৰণসহ *যিকোনো তিনিপ্ৰকাৰৰ* বক্ৰোক্তিৰ বিশ্লেষণ আগবঢ়োৱা। ২+২+৬=১০

*অথবা*

অভিধা লক্ষণা আৰু ব্যঞ্জনাশক্তিৰ বিষয়ত এটি প্ৰৱন্ধ যুগুত কৰা। ১০

৩। ভৰতৰ ৰসসূত্ৰটোৰ আধাৰত প্ৰতিষ্ঠিত উৎপত্তিবাদ, অনুমিতিবাদ আৰু অভিব্যক্তিবাদৰ তুলনা কৰি এক পৰ্যালোচনা প্ৰস্তুত কৰা। ৩+৪+৪+৪=১৫

*অথবা*

কাব্যত থকা গুণ আৰু ৰীতিৰ মাজৰ সম্পৰ্ক বিচাৰ কৰি *যিকোনো তিনিপ্ৰকাৰৰ* বক্ৰোক্তিৰ বিষয়ত এটি প্ৰৱন্ধ যুগুত কৰা। ৩+৪+৪+৪=১৫

## 'খ' অংশ

## *( পাশ্চাত্য সমালোচনা )*

১। চমু টোকা লিখা ঃ *(যিকোনো তিনিটা)* ৫×৩=১৫

(ক) কেথাৰচিচ্

(খ) টি. এছ. এলিয়ট

(গ) হামাৰচিয়া

(ঘ) মহাকাব্যৰ উপাদান

২। অনুকৰণৰ ধাৰণাসহ প্লেটো আৰু এৰিষ্টটলৰ ধাৰণাৰ এক তুলনা প্ৰস্তুত কৰা। ১০

*অথবা*

পাঠ্য ৰচনাৰ আধাৰত নতুন সমালোচনাৰ স্বৰূপ নিৰূপণ কৰা।



৩। ৰোমাণ্টিক সমালোচনাৰ পটভূমিৰ চমু আভাসসহ কবিতাৰ সামগ্ৰিক স্বৰূপ সম্পৰ্কত ওৱৰ্ডচ্‌ৱৰ্থে আগবঢ়োৱা ধাৰণাৰ খতিয়ান আগবঢ়োৱা। ১৫

*অথবা*

পাঠ্য ৰচনাৰ আধাৰত ধ্ৰুৱবাদী সমালোচনা আৰু ৰোমাণ্টিক সমালোচনাৰ এক তুলনা প্ৰস্তুত কৰা।